# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। অসম সম্প্ৰতি অপাৰ সম্ভাৱনাৰ কেন্দ্ৰ আৰু দক্ষিণ পূৱ এছিয়া তথা ভাৰতৰ দুৱাৰমুখ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। কেইবাটাও আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীয়ে অসমত বৃহৎ বিনিয়োগৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ উন্নত চিকিৎসা ব্যৱস্থাসমূহৰ বিকেন্দ্ৰীকৰণ আৰু স্বাস্থ্যসেৱা প্ৰতিষ্ঠানসমূহত অধিক গৱেষণাত গুৰুত্ব আৰোপ কৰিছে।

৪। দিল্লীৰ এখন আদালতে আজি ১৯৮৪ চনৰ শিখ বিৰোধী সংঘৰ্ষৰ সময়ৰ এটা হত্যাৰ গোচৰৰ সংক্ৰান্তত প্ৰাক্তন কংগ্ৰেছ সাংসদ সজ্জন কুমাৰক যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰে। *আৰু*

৫। দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ মাজৰ আই চি চি চেম্পিয়ন্‌ছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ খেলখন আজি বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০

অসম সম্প্ৰতি অপাৰ সম্ভাৱনাৰ কেন্দ্ৰ আৰু দক্ষিণ পূৱ এছিয়া তথা ভাৰতৰ দুৱাৰমুখ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। গুৱাহাটীত আজি বিনিয়োগ আৰু আন্তগাথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। কূটনীতিবিদ, আগশাৰীৰ উদ্যোগপতি, বিদেশী প্ৰতিনিধিৰ সমাবেশত অসম পূৱ ভাৰতৰ নিৰ্মাণকেন্দ্ৰৰূপে পৰিগণিত হ'ব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এই কৌশলগত স্থিতিৰ লাভ গ্ৰহণ কৰিবলৈ উদ্যোগপতিসকলৰ প্ৰতি আহ্বান জনায়।

শ্ৰীমোদীয়ে কয়, যে তেওঁৰ চৰকাৰে অঞ্চলটোৰ যোগাযোগ ব্যৱস্থা আৰু আন্তঃগাথনিৰ উন্নয়নৰ লগতে স্থানীয় যোগান শৃংখলা শক্তিশালী কৰি তোলাৰ বাবে কাম কৰি আছে। ভাৰতে কম খৰছী নিৰ্মাণ প্ৰক্ৰিয়া বিকশাই তোলাৰ বাবে যুদ্ধকালীন তৎপৰতাৰে কাম কৰি আছে বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে, যোৱা কেইটামান বছৰত অসমৰ আইন শৃংখলা পৰিস্থিতি উন্নত হৈছে আৰু ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে কেইবাখনো শান্তি চুক্তি সম্পাদন কৰিছে। অসম চৰকাৰে ব্যৱসায়ৰ বাবে সূচল বাতাবৰণ গঢ়ি তুলিছে আৰু উদ্যোগসমূহৰ বাবে উৎকৃষ্ট নীতি যুগুতাই উলিয়াইছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনে ২০৩০ চনৰ ভিতৰত প্ৰায় ১৫০ কোটি ডলাৰৰ অৰ্থব্যৱস্থাত পৰিণত হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনলৈ অহৰহ সহায় আগবঢ়াই আহিছে আৰু ৰেল বাজেটত অঞ্চলটোৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ বৃদ্ধি কৰা হৈছে। অসমে দেশৰ অৰ্থনৈতিক উন্নয়নত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে

এডভাণ্টেজ আচাম শীৰ্ষ সন্মিলন অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ বাবে এটা নতুন আৰম্ভণি। উদ্বোধনী অনুষ্ঠানৰ পাছতে প্ৰধানমন্ত্ৰী মোদী নতুন দিল্লীলৈ উভতি যায়।

সন্মিলনত ভাগ লৈ তথ্য আৰু সম্প্ৰচাৰ তথা ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে কৰি থকা কামৰ বাবে অসম দেশৰ চালিকাশক্তিৰূপে পৰিগণিত হ'ব। মন্ত্ৰীগৰাকীয়ে আজি এডভাণ্টেজ আচাম শীৰ্ষ সন্মিলনৰ **এডভান্স ইন চেমিকনডাক্টৰ হৰাইজন ইন আচাম ফৰ বিকশিত ভাৰত** অৰ্থাৎ বিকশিত ভাৰতৰ বাবে অসমত অৰ্ধপৰিবাহী দিগন্ত নতুন শিখৰলৈ লৈ যোৱা শীৰ্ষক সত্ৰত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে জাগীৰোডৰ অৰ্ধপৰিবাহী প্ৰকল্পই অঞ্চলটোক সজুলিবিধৰ কেন্দ্ৰৰূপে গঢ়ি তুলিব। গুৱাহাটী ৰেল ষ্টেছনৰ ভূমিত এটা অত্যাধুনিক তথ্য প্ৰযুক্তি কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰীবৈষ্ণৱে কয়, যে কেন্দ্ৰীয় চৰকাৰে দুখন নতুন অমৃত ভাৰত ৰেলগাড়ী আৰু বিটিআৰ অঞ্চলত এটা ৰেল ডবা নিৰ্মাণ আৰু লামডিঙত এটা ৰেলগাড়ী ইঞ্জিন পুনৰ নিৰ্মাণ গোট স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। তেওঁ কয়, যে কামৰূপ জিলাৰ বঙৰাত এটা বৈদ্যুতিন সা-সজুলী নিৰ্মাণ গোট স্থাপন কৰা হ'ব আৰু অসমৰ কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেঁফুলৈ ৰেলপথ নিৰ্মাণ কৰা হ'ব।

০০০০

বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ উদ্বোধনী সত্ৰত আজি কেইবাটাও আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীয়ে অসমত বৃহৎ বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়ে। আদানি গোটৰ অধ্যক্ষ গৌতম আদানিয়ে তেওঁৰ ভাষণত অসমত এৰ'চিটী, চিমেণ্টকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ঘোষণা কৰে। অনুষ্ঠানত ভাষণ দি ৰিলায়েন্স গোটৰ অধ্যক্ষ মুকেশ আম্বানীয়ে অসমত মেগা ফুড পাৰ্ক, সপ্ত তাৰকাযুক্ত হোটেল, দুটা জৈৱ ইন্ধন গোটকে ধৰি ৫ টা গুৰুত্বপূৰ্ণ খণ্ডত অহা ৫ বছৰত ৫০ হাজাৰ কোটিৰো অধিক ধন বিনিয়োগৰ কথা প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনত ১০ হাজাৰ কৰ্ম সংস্থাপনৰ সৃষ্টি হ'ব বুলিও অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে। অনাগত সময়ত অসম প্ৰযুক্তিৰ ভূস্বৰ্গ হিচাপে পৰিগণিত হ'ব বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়, যে লাহে লাহে জনসাধাৰণে AI বুলি ক'লে আৰ্টিফিচিয়েল ইণ্টেলিজেন্সৰ লগতে আছাম ইণ্টেলিজেন্স বুলি ক'ব।

টাটা ছ'ন্সৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণে তেওঁৰ ভাষণত কয়, যে অসমৰ সৈতে টাটা গ্ৰুপৰ কেইবা দশকজোৰা সম্বন্ধ আছে। বিগত বৰ্ষত টাটা অৰ্ধপৰিবাহী প্ৰকল্পৰ আৰম্ভণিৰ জৰিয়তে অসম আৰু টাটা গ্ৰুপৰ মাজৰ সম্বন্ধ সুদৃঢ় হ'ল বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়, যে অসম চৰকাৰে ঔদ্যোগিক বিকাশৰ নতুন মাত্ৰা নিৰ্ধাৰণ কৰিছে। তেওঁ কয়, যে টাটা গোটে অনাগত সময়ত ৰাজ্যখনত আন এটা বৃহৎ নিৰ্মাণ প্ৰযুক্তিৰ প্ৰকল্পত বিনিয়োগ কৰিব আৰু ইয়াৰ ফলত ৩০ হাজাৰ যুৱক-যুৱতীয়ে কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিব। বেদান্তা গোটৰ অধ্যক্ষ অনিল আগৰৱালাই অহা দুবছৰত অসমত এক লাখ বেৰেল তেল উৎপাদন কৰিব বুলি ঘোষণা কৰে। একেদৰে জে এছ ডব্লিউ গ্ৰুপৰ অধ্যক্ষ সজ্জন জিন্দালে তেওঁৰ ভাষণত কয়, যে উত্তৰ-পূব সমৃদ্ধিশালী হ'লেহে দেশ সমৃদ্ধিশালী হ'ব। শ্ৰীজিন্দালে অসমৰ নবীকৰণযোগ্য শক্তি খণ্ডত বিনিয়োগৰ সম্ভাৱনাৰ কথা উল্লেখ কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আদৰণি ভাষণ দি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৰ্তমান অসম অভূতপূৰ্ব ইতিবাচক পৰিৱৰ্তনৰ সাক্ষী হৈছে। তেওঁ কয়, যে এসময়ৰ সমস্যা জৰ্জৰিত ৰাজ্যৰ পৰা

অসম বৰ্তমান এখন শান্তিপূৰ্ণ ৰাজ্য হিচাপে ৰূপান্তৰৰ যাত্ৰাৰে আগবাঢ়িছে। ড০ শৰ্মাই দেশ-বিদেশৰ ব্যৱসায়ী আৰু উদ্যোগীসকলক ৰাজ্যখনত বিনিয়োগ কৰিবলৈ আহ্বান জনোৱাৰ লগতে তেওঁলোকক বিনিয়োগৰ বাবে উপযুক্ত পৰিৱেশ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ উন্নত চিকিৎসা ব্যৱস্থাসমূহৰ বিকেন্দ্ৰীকৰণ আৰু স্বাস্থ্যসেৱা প্ৰতিষ্ঠানসমূহত অধিক গৱেষণাত গুৰুত্ব আৰোপ কৰিছে। আজি পাটনাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ বাপু সভাগাৰত আয়োজিত শতবাৰ্ষিকী উদ্‌যাপন সমাৰোহত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে তুলনামুলকভাৱে সৰু চহৰবোৰত স্বাস্থ্য সেৱাৰ সুবিধাসমূহ উপলব্ধ কৰোৱাব পাৰিলে বৃহৎ স্বাস্থ্য সেৱা প্ৰতিষ্ঠানসমূহৰ কামৰ হেঁচা লাঘৱ হ'ব। স্বাস্থ্যখণ্ডত কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰবটিক্সৰ শেহতীয়া প্ৰয়োগৰ কথা উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে এনেধৰণৰ প্ৰযুক্তিৰ ব্যৱহাৰে চিকিৎসা পদ্ধতি অধিক প্ৰভাৱশালী আৰু ত্ৰুটিহীন কৰি তুলিব। ৰাষ্ট্ৰপতিগৰাকীয়ে চিকিৎসা সেৱাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিক দৰিদ্ৰসকলৰ সেৱাত যত্নপৰ হ'বলৈ আহ্বান জনায়। আজিৰ অনুষ্ঠানত বিহাৰৰ ৰাজ্যপাল আৰীফ মহম্মদ খান, মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মন্ত্ৰী জে পি নাড্ডাৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

দিল্লীৰ এখন আদালতে আজি ১৯৮৪ চনৰ শিখ বিৰোধী সংঘৰ্ষৰ সময়ৰ এটা হত্যাৰ গোচৰৰ সংক্ৰান্তত প্ৰাক্তন কংগ্ৰেছ সাংসদ সজ্জন কুমাৰক যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰে। বিশেষ ন্যায়াধীশ কাৱেৰী বাৱেজাই ১৯৮৪ চনৰ ১ নৱেম্বৰত সংঘটিত যশৱন্ত সিং আৰু তেওঁৰ পুত্ৰ তৰুণদীপ সিঙৰ হত্যাৰ সংক্ৰান্তত এই ৰায় প্ৰদান কৰে। পদকীয়া পক্ষ আৰু হত্যাকাণ্ডৰ বলি হোৱা পৰিয়ালে এই গোচৰৰ চৰম শাস্তি প্ৰদানৰ বাবে দাবী জনাইছে। সজ্জন কুমাৰ শিখ বিৰোধী সংঘৰ্ষৰ সময়ৰ অন্য এটা হত্যাৰ গোচৰত সম্প্ৰতি যাৱজ্জীৱন কাৰাবাস খাটি আছে আৰু তেওঁৰ আপীল আবেদন উচ্চতম ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে। কংগ্ৰেছ নেতাগৰাকীক দোষমুক্ত কৰা আৰু দোষী সাব্যস্ত কৰাৰ আন কেইবাখনো আপীল আবেদন উচ্চতম ন্যায়ালয়ৰো বিচাৰাধীন হৈ আছে।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ মুক্ত বাণিজ্য চুক্তিয়ে দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত মাইলৰ খুটিৰূপে পৰিগণিত হ'ব বুলি মন্তব্য কৰিছে। শ্ৰীগোৱেলে আজি নতুন দিল্লীত ব্ৰিটেইনৰ ব্যৱসায় আৰু বাণিজ্য মন্ত্ৰী জোনাথন ৰে'নল্ডছৰ নেতৃত্বত অহা এটা প্ৰতিনিধি দলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত দুয়োপক্ষই এখন নিকা, পৰস্পৰৰ বাবে লাভজনক আৰু সন্তুলিত মুক্ত বাণিজ্য চুক্তি সম্পাদনৰ ক্ষেত্ৰত এতিয়ালৈকে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। বৈঠকত শ্ৰীগোৱেলে অৰ্থনৈতিক সহযোগিতা সুদৃঢ় কৰি ভাৰত-ব্ৰিটেইন অংশীদাৰিত্বক আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত মোদী চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোঁহাৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত শ্ৰীগোৱেলে কয়, যে ব্ৰিটেইনত নতুন চৰকাৰ গঠন হোৱাৰ পাছত দেশখনৰ ব্যৱসায় আৰু বাণিজ্য মন্ত্ৰী জোনাথন ৰে'নল্ডছৰ এয়া হৈছে প্ৰথমটো ভাৰত ভ্ৰমণ। আজিৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সামৰি ইতিবাচক আলোচনা হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আতিশী, গোপাল ৰায়, ইমৰাণ হুছেইন, বিশেষ ৰবীকে ধৰি ২১ গৰাকী আম আদমী পাৰ্টীৰ বিধায়কক চলিত দিল্লী বিধানসভা অধিবেশনত তিনিদিনৰ বাবে নিলম্বন কৰা হৈছে। আজি দিল্লীৰ উপৰাজ্যপাল বিনয় কুমাৰ চাক্সেনাৰ অভিভাষণৰ সময়ত এইকেইজন বিধায়কে প্ৰদৰ্শন কৰা উশৃংখল আচৰণৰ বাবে তেওঁলোকৰ বিৰুদ্ধে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সন্দৰ্ভত দিল্লীৰ মন্ত্ৰী পৰবেশ চাহিব সিঙ বাৰ্মাই এই বিধায়ককেইজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে আৰু সদনে ধ্বনি ভোটত প্ৰস্তাৱটো গ্ৰহণ কৰে।

০০০০

দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ মাজৰ আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ খেলখন আজি বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। আম্পায়াৰে পাকিস্তানৰ ৰাৱলপিণ্ডি ক্ৰিকেট ষ্টেডিয়ামৰ এই খেলখন এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰে।

০০০০

সমাপ্ত